**প্ৰশ্ন ২। দ্বিতীয় বিশ্বযুদ্ধৰ ধ্বংসলীলাৰ কথা চমুকৈ বৰ্ণনা কৰা।**

**উত্তৰ।** দ্বিতীয় বিশ্বযুদ্ধখন ৬ বছৰ ধৰি চলে আৰু এই যুদ্ধখন ইউৰোপতে সীমাবদ্ধ নাথাকি এচিয়া, আফ্ৰিকাৰ লগতে বিভিন্ন সাগৰ মহাসাগৰলৈ সম্প্ৰসাৰিত হয়। এই যুদ্ধখনত পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশ লোক প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ পৰে। দ্বিতীয় বিশ্বযুদ্ধৰ ফলত সমগ্ৰ বিশ্বৰে বহুতো ক্ষয়-ক্ষতি হয় কাৰণ এই যুদ্ধখন আছিল প্ৰধানকৈ মেচিন যুদ্ধ। সেই সময়ছোৱাত আৱিষ্কৃত সকলো যন্ত্ৰপাতি, বোমা, গেছ আদি ব্যৱহাৰ কৰা হৈছিল। টেংক, উৰাজাহাজ, যুদ্ধ জাহাজ, চাবমেৰিন, গধুৰ অস্ত্ৰপাতিৰে সজ্জিত স্থলবাহিনী, বিভিন্ন ধৰণৰ বোমা আৰু ৰকেট আদি প্ৰয়োগ কৰা হৈছিল। যুদ্ধ আৰম্ভ হোৱা অক্ষ-শক্তিৰ সামৰিক উৎপাদনে চৰমসীমা পাইছিল আৰু সেইবোৰ প্ৰয়োগ কৰি বিভিন্ন শক্তিবোৰে বিস্তৰ সাফল্য লাভ কৰিছিল। যুদ্ধৰ ছয় বছৰৰ ভিতৰতে আমেৰিকা যুক্তৰাষ্ট্ৰই মুঠ ৪৭,০০০ টেংক আৰু ২,৯৬,০০০খন উৰাজাহাজ নিৰ্মাণ কৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত আৱিষ্কৃত আনৱিক বোমা আৰু জাপানৰ ওপৰত তাৰ প্ৰয়োগে হিৰোচিমা আৰু নাগাচাকি নামৰ দুখন নগৰ ধ্বংস হৈছিল। বোমাবৰ্ষণৰ লগে লগে হিৰোচিমাত প্ৰায় ৬৬ হাজাৰ আৰু নাগাচাকিত প্ৰায় ৪০ হাজাৰ লোকৰ

Scanned by CamScanner

প্ৰাণহানি হৈছিল। বোমাবৰ্ষণৰ তৎকালীন ফলাফলতকৈ তাৰ পাৰ্শ্বক্ৰিয়া অধিক ভয়াবহ আছিল। আনৱিক বোমাবৰ্ষণে সৃষ্টি কৰা তেজস্ক্ৰিয়তাৰ ফলত হাজাৰ হাজাৰ বিকলাংগ শিশুৰ জন্ম হয় আৰু অসংখ্য লোক দুৰাৰোগ্য ব্যাধিত পৰে। জাৰ্মানিয়ে যুদ্ধৰ প্ৰথমাৱস্থাত অধিক সুবিধা লাভ কৰিছিল আৰু হঠাতে আক্ৰমণ কৰাৰ কাৰণে সহজেই পোলেণ্ড, বেলজিয়াম, ফ্ৰান্স আদি দেশক পদানত কৰিব পাৰিছিল। ফ্ৰান্স ১৯৪০ আৰু ১৯৪৪ চনত দুৱাৰ জাৰ্মানিৰ আক্ৰমণত পতিত হৈছিল। এই দুয়োবাৰ আক্ৰমণত ফ্ৰান্সৰ প্ৰায় পাচ লাখ লোক নিহত হৈছিল। ব্ৰিটিছ আৰু ব্ৰিটিছ কমনৱেলথৰ প্ৰায় ৪,৪৫,০০০ হাজাৰ লোক মৃত্যুমুখত পৰিছিল আৰু ইয়াৰ অৰ্দ্ধাংশই ইংৰাজ লোক আছিল। শত্ৰুপক্ষৰ বোমাবৰ্ষণ আৰু ৰকেট নিক্ষেপৰ ফলত প্ৰায় ৬০ হাজাৰ অসামৰিক লোক নিহত হৈছিল।

আমেৰিকাৰ নিজৰ ভূমিত কোনো যুদ্ধ সংঘটিত হোৱা নাছিল যদিও আমেৰিকাই প্ৰায় ১২ মিলিয়ন সৈনিক নিয়োগ কৰিছিল আৰু তাৰ ভিতৰত প্ৰায় ৩,২৫,০০০ লোক নিহত হয়। জাৰ্মানিৰ নিহতৰ সংখ্যা আছিল প্ৰায় ২·২৫ মিলিয়ন। সেইদৰে জাপান দেশে ১৯৩৭ চনৰপৰা যুদ্ধ শেষ হোৱালৈকে যুদ্ধত লিপ্ত আছিল আৰু জাপানৰ ১,৭৪,০০০ হাজাৰ লোকৰ মৃত্যু হৈছিল। নাৎচিসকলে মানুহ হত্যা কৰি মৃত্যু শিৱিৰৰ ওচৰেপাজৰে কিছুমান কাৰখানাও স্থাপন কৰিছিল আৰু সেই কাৰখানাবোৰত মৰা মানুহৰ দাঁত, ছাল আৰু হাড়ৰ পৰা বহুতো সামগ্ৰী তৈয়াৰ কৰিছিল। একেদৰে জাপানতো চিকিৎস আৰু বিজ্ঞানীসকলে মৃত মানুহবোৰৰ ওপৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলাইছিল। ছোভিয়েট ইউনিয়নত দ্বিতীয় বিশ্বযুদ্ধৰ আটাইতকৈ ৰক্তাক্ত আৰু ভয়াবহ যুদ্ধবোৰ সংঘটিত হৈছিল। ছোভিয়েট ৰাচিয়াৰ বিভিন্ন ৰণক্ষেত্ৰবোৰৰ ভিতৰত উল্লেখযোগ্য আছিল **লেনিনগ্ৰেড** (চেণ্ট পিটাচবাৰ্গ), **চেৱাচষ্টিপোল** আৰু **ষ্টোলিনগ্ৰেড**। ছোভিয়েট ৰাচিয়াত মুঠ ২ কোটি লোকে মৃত্যুবৰণ কৰিছিল লগতে ১৭১০ খন চহৰ, ৭০ হাজাৰ জনপদ আৰু ৩২ হাজাৰ শিল্প-প্ৰতিষ্ঠান ধ্বংসপ্ৰাপ্ত হৈছিল। একেদৰে ইংলেণ্ড, ফ্ৰান্স, জাৰ্মানি, ইটালী আদি সকলো প্ৰধান অঞ্চলসমূহ ক্ষতিগ্ৰস্ত হৈছিল। দ্বিতীয় বিশ্বযুদ্ধত ফেচিষ্টসকলে ইউৰোপৰ বিস্তীৰ্ণ অঞ্চলক সঁচাঅৰ্থত শ্মশানত পৰিণত কৰিছিল। নাৎচি চৰকাৰে **'কনচেনট্ৰেচন কেম্প'** (Concentration Camp) নামে এক কুখ্যাত প্ৰকাৰৰ মৰণ শিবিৰ প্ৰতিষ্ঠা কৰি সেইবোৰলৈ লাখ লাখ যুদ্ধ বন্দী আৰু ইহুদীক প্ৰেৰণ কৰি নৰকীয়

Scanned by CamScanner

যন্ত্রণা দি হত্যা কৰিছিল। অগণন লোকক গেছ চেম্বাৰত সুমুৱাই অমানুষিকভাৱে হত্যা কৰিছিল। বন্দীসকলক প্ৰথমতে নিজৰ কৱৰ খান্দিবলৈ বাধ্য কৰোৱা হৈছিল আৰু তাৰ পাছত তেওঁলোকক হত্যা কৰি সেই কৱৰত পোতা হৈছিল।

মানৱ জীৱন তথা সা-সম্পত্তিৰ ক্ষয়ক্ষতিৰ দিশৰ পৰা দ্বিতীয় বিশ্বযুদ্ধ আছিল ইতিহাসত প্ৰসিদ্ধ। যুদ্ধৰ কালছোৱাত বহুতো ইউৰোপীয় দেশে তেওঁলোকৰ জনসংখ্যাৰ এক বুজন পৰিমাণ হেৰুৱাব লগা হৈছিল। পশ্চিমীয়া শক্তিবৰ্গৰ এচিয়া আৰু আফ্ৰিকাত থকা উপনিৱেশসমূহৰ জনগণই মহাযুদ্ধৰ কালছোৱাত জান-মালৰ প্ৰৱল ক্ষয়-ক্ষতি হৈছিল। মানৱ জাতিৰ ব্যাপক বলিদানৰ উপৰিও দ্বিতীয় বিশ্বযুদ্ধই বিশ্বৰ বিভিন্ন দেশৰ অৰ্থনীতি আৰু সম্পদৰ অভূতপূৰ্ব ক্ষতিসাধন কৰিছিল। প্ৰকৃতপক্ষে দ্বিতীয় বিশ্বযুদ্ধ আছিল এক সৰ্বাত্মক মহাৰণ। এই অভূত-পূৰ্ব যন্ত্ৰীকৃত যুদ্ধত যুঁজাৰু বিমান, টেঙ্ক, গোলণ্ডাজ বাহিনী, জাহাজ, চাবমেৰিণ আদিৰ বহুল ব্যৱহাৰে সমগ্ৰ বিশ্বৰ যি ক্ষতি হৈছিল সি বৰ্ণনাতীত। দ্বিতীয় বিশ্বযুদ্ধই বৰ্তমানলৈকে সংঘটিত হোৱা যুদ্ধবোৰৰ ভিতৰত অধিক ভয়াবহ আছিল আৰু সেইকাৰণে এই যুদ্ধত হোৱা ক্ষয়ক্ষতিৰ পৰিমাণ প্ৰথম বিশ্বযুদ্ধতকৈ অধিক আছিল।

Scanned by CamScanner